SP-32355

সেউজ পত্রিকা

প্ৰকৃতি আৰু পৰিবেশ বিষয়ক পত্ৰিকা

GREEN LETTER

19TH ISSUE
OCT, 2010

A JOURNAL ON ENVIRONMENT & NATURE

*পৰিৱেশবিদ্ শঙ্কৰদেৱ বিশেষ সংখ্যা / ২*

## সম্পাদকলৈ চিঠি --

**মাননীয় সম্পাদক,**

'সেউজ পত্রিকা'ত পৰিবেশ বিদ্ শঙ্কৰদেৱ সম্পৰ্কীয় প্ৰৱন্ধ সম্ভাৰ প্ৰকাশ কৰিবলৈ বিচৰাত আপোনাক ধন্যবাদ জনাইছো । আপুনি মহাপুৰুষক অসাধাৰণ গুণ "পৰিবেশবিদ্" বুলি প্ৰকাশ কৰিবলৈ ওলোৱাত আপোনাৰ চিন্তাৰ প্ৰতিও শ্ৰদ্ধা জনাইছো।

চমুকৈ কৈছো -মোৰ জন্ম শুৱালকুছিত। স্বাধীনতাৰ আগৰে পৰা ১ম, ২য় শ্ৰেণীত থকাৰ পৰাই শংকৰদেৱৰ জন্মোৎসৱত পতা ধৰ্মালোচনী সভাত উপস্থিত থাকি অসমৰ ৰাজনৈতিক নেতা বিভিন্ন সাহিত্যিক, পণ্ডিত, ধৰ্মাধিকাৰ আদিৰ বক্তৃতা শুনিছিলোঁ। তাত মহাপুৰুষক বাহ্যিক ভাৱেহে প্ৰকাশ কৰে। মহাপুৰুষৰ অন্তৰ্নিহিত গুণৰাজি চিন্তা কৰি প্ৰকাশ কৰিবলৈ নিবিচাৰে। মাধৱ পুৰুষে গুৰু ভটিমাত "শ্ৰীমন্ত শংকৰ সৰ্ব গুণাকৰ" বুলি কিয় কলে তাৰ ব্যাখ্যা আনকি আধুনিক মহাপুৰুষৰ জীৱনীকাৰ সকলৰ লিখনিতো প্ৰকাশ কৰা দেখা নাযায় । আনকি সিবোৰত ভাষাৰ মৰ্যাদাও প্ৰকাশ কৰা নাই । গতিকে এনে নতুন চিন্তাৰ কাৰণে পুনৰবাৰ আপোনাক ধন্যবাদ দিলোঁ।

শ্ৰদ্ধাৰে —

**নাৰায়ণ দাস**

প্ৰাক্তন উপাধ্যক্ষ, পাণ্ডু কলেজ, গুৱাহাটী।

# মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰকৃতি চিন্তা

● সুপ্ৰীতি বৰুৱা

অসমৰ জাতীয় জীৱন তথা সাহিত্য সাংস্কৃতিক নবোন্মেষত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান অনস্বীকাৰ্য্য। তেখেতৰ চিন্তাধাৰা, ধ্যান ধাৰণা ; ধৰ্মীয় মতাদৰ্শ, সাহিত্য কলা-অসমৰ জাতীয় সংস্কৃতিৰ মূল ভেটি । শংকৰদেৱৰ কালজয়ী সাহিত্য সম্ভাৰে মানুহৰ মাজত সংস্কৃতি সদৰি কৰি নান্দনিক উপলব্ধি সঞ্চাৰিত কৰি সৰ্ব ভাৰতীয় ভক্তিধৰ্ম তথা সাহিত্য সম্ভাৰক অসমৰ থলুৱা মাটিৰ উপযোগীকৈ কৰি গঢ়ি তোলাত সাৰ্থক হৈছে, তদুপৰি শংকৰদেৱৰ কীৰ্তন ভক্তিবাদী গ্ৰন্থ হিচাপে গভীৰ দাৰ্শনিক তত্ত্ববোৰক জটিল ৰূপত ৰখাৰ পৰিৱৰ্ত্তে লোক সাধাৰণৰ মনক ভক্তিৰ প্ৰতিহে আকৰ্ষিত কৰিবলৈ যত্ন কৰিছে । ধৰ্মপ্ৰচাৰৰ উপৰিও মহাপুৰুষজনাই তেখেতৰ লিখনিত সাধাৰণ আবেগ, কল্পনা, প্ৰকৃতিৰ সৌন্দৰ্য্য আদিক সুন্দৰভাৱে চিত্ৰায়ণ কৰিছে ।

মানৱৰ লগতে সমস্ত জীৱৰাশিয়েই প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা, মানুহ আৰু জীৱজগতৰ প্ৰতি কিছুমান নৈসৰ্গিক কাৰণত অহা ধ্বংসৰ ভাবুকি, জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্ত্তন, অতি বৃষ্টি, অনাবৃষ্টি, শিল্পায়ণ আদি সমস্যাৰ পৰিপ্ৰেক্ষিতত পৰিবেশ সংৰক্ষণৰ বিষয়টোৱে সমগ্ৰ বিশ্বজুৰি বিশেষ গুৰুত্ব আৰু চৰ্চা লাভ কৰা সময়ত আমি মহাপুৰুষ জনাই ভাগৱত, ৰামায়ণ গীতা আৰু বিভিন্ন শাস্ত্ৰৰ বিভিন্ন পদ-পুথি ৰচনা সিবিলাকত মৌলিক ৰূপ দান কৰি প্ৰকৃতিৰ বৰ্ণনা আৰু জীৱজন্তুৰ প্ৰতি হিংসাৰ কাৰ্য্যৰ পৰা বিৰত থাকি আত্মসংযমী হবলৈ যেনে দৃষ্টিভঙ্গী তেখেতৰ লিখনিত প্ৰকাশ ঘটিছে তাৰ বস্তুনিষ্ঠ আলোচনা সাম্প্ৰতিক সময়ত অতীৱ প্ৰয়োজন । গুৰুজনাই সকলো প্ৰাণী

সমাজৰ প্ৰতি সম দয়া দৃষ্টিৰে চাবলৈ আহ্বান জনাইছে। ভক্তিতত্বৰ বৰ্ণনাত প্ৰাকৃতিক দৃশ্যৰ মাজত কীটপতংগৰ পৰা পশু-পক্ষী, জীৱকূলত বৈজ্ঞানিক মননশীলতাৰ প্ৰকাশ ভংগীয়ে অনন্য মাত্ৰা প্ৰদান কৰি থৈ গৈছে। ইয়াৰ লগে লগে গুৰুজনাই সাহিত্যৰ দিশটোক অধিক যুক্তি ৰসগ্ৰাহী আৰু মনোগ্ৰাহী কৰি তুলিছে। শংকৰদেৱ কেৱল ধৰ্মৰ গুৰুৱে নাছিল, তেখেত নিঃসন্দেহে এজন শ্ৰেষ্ঠ পৰিৱেশপ্ৰেমী বা প্ৰকৃতিপ্ৰেমী বুলি আখ্যা দিব পাৰি।

তেখেতৰ সৃষ্টিৰাজি নিমি নৱসিদ্ধ সংবাদ, ভক্তিৰত্নাকৰ ভাগৱত, কীৰ্ত্তনত আমি বাৰে বাৰে পাই আহিছো, তাৰেই কিঞ্চিত ব্যাখ্যা কৰিবলৈ লোৱা হৈছে।

'নিমি নৱসিদ্ধ সংবাদ'ত গুৰুজনাই এইবুলি উল্লেখ কৰিছে, হৰিনামৰ বেলিকা ইষ্ট-বন্ধু জ্ঞানেৰে ভকতৰ সংগ দিবা, গছ-গছনি, গুৰু - তৃণ, পশু-পক্ষীকো যথাসাধ্যই অৰ্চন কৰিবা।

'কৰিবা সুহৃদ হৰি ভকত সহিতে।
বৃক্ষ পশু-পক্ষীকো অৰ্চিবো যথোচিত।।'

ঠিক তেনেকৈ দেৱ-দেৱীক পূজা অৰ্চনাৰ নিমিত্তে পশু নিধন কৰি বলি দিয়া, প্ৰাণী হত্যাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি গুৰুজনাই লিখিছে —

'নমাৰিবা পশুক এৰিবে মাংস আশা।
দেৱকো উদ্দেশ্য পশু নকৰিবে হিংসা।।'

পশু-পক্ষীৰ প্ৰতি হিংসাভাৱ দমন কৰি গুৰুজনাই ভক্তি ৰত্নাকৰ'ত উল্লেখ কৰিছে জীৱকূলৰ প্ৰতি হিংসাভাৱ দমন কৰি নিয়ম সংযমেৰে গাৰ্হস্থ্য জীৱন পালন কৰিব লাগে।

'জীৱৰ হিতক মাত্ৰ সাধিবেক মনে।
নিয়ম সংযম আদি ৰাখিব যতনে।।' (ভক্তি ৰত্নাকৰ)

শংকৰদেৱৰ ভক্তিবাদ দৰ্শনত পৰমব্ৰহ্ম ভগৱন্তৰ অংশস্বৰূপ আৰু জীৱজগত আদি সকলো অংশ বুলি ধৰিলে একতে বহুত আৰু বহুততে এক বুলি জনা যায়।

'যত জীৱ তত শিৱ
যত জীৱ জংগম কীট পতংগম
অগ-নগ-জগ তেৰি কায়া।।' বুলি সৰ্ব শক্তিমান পৰমপুৰুষ ভগৱন্ত সমস্ত জীৱ আৰু জড় জগত তে বিৰাজমান বুলি কৈছে।

গুৰুজনাৰ শ্ৰেষ্ঠ সাহিত্য কীৰ্তিস্বৰূপ 'কীৰ্তন ঘোষা' ত জীৱ জন্তুৰ বৰ্ণনাই সুকীয়া আসন দখল কৰি আছে। পৰিবেশ বিজ্ঞানৰ বিশ্বজোৰা সংবেদনশীল এক পৰ্য্যালোচনাৰ ক্ষণত মহাপুৰুষজনাই কীৰ্ত্তনঘোষাত প্ৰকৃতিৰ বৰ্ণনা আৰু জীৱজন্তুৰ প্ৰতি তেনে দৃষ্টিভংগীৰে আগবঢ়োৱা গুৰুত্বৰ প্ৰয়োজনীয়তা আছে।

কীৰ্ত্তন ঘোষাৰ 'বৈকুণ্ঠ প্ৰয়াণ' খণ্ডত প্ৰাণীসমাজৰ প্ৰতি সম দয়া দৃষ্টিৰে জীৱশ্ৰেষ্ঠ মানৱৰ দায়বদ্ধতা কোনোগুণে যে কম নহয়, জীৱকূলৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব মানৱৰে, এই সাৰ প্ৰকাশ কৰিবলৈ গৈ তেখেতে লিখিছে —

কুকুৰ শৃগাল গৰ্দভৰো আত্মাসম।
জানিয়ো সবাকো পৰি কৰিবো প্ৰণাম।।

দামোদৰ বিপ্ৰৰ আখ্যানটিত প্ৰফুল্লিত আৰু প্ৰশান্তিময় কল্প চিত্ৰৰে গুৰুজনাই ভগৱানৰ স্নেহসিক্ত অলৌকিক কৃপাৰ দান বিপ্ৰ-দামোদৰৰ ওপৰত বৰিষণ হোৱাৰ বৰ্ণনা কৰাৰ লগতে পৰিবেশৰ মধুৰ ৰূপ এটিও ফুটাই তুলিছে —

"দিব্য উপবনে পৰি পক্ষীগণে সুললিত ৰৱ তেজৈ ।
দীঘি সৰোবৰ পুষ্পিত উৎপন্ন প্ৰফুল্ল পংকজে ৰজৈ ।।" কীৰ্তন

প্ৰাণী হত্যাৰ বিৰুদ্ধেও দূৰ্ঘোৰ প্ৰতিবাদৰ নমুনা মহাপুৰুষ জনাৰ লিখনিত বিদ্যমান ।

"হংস ছাগ কাটি যিটো ৰুধিৰে কৰ্দম কৰে ।
সি যদি স্বৰ্গ যায়, নৰকত কোন সৰে ।। --

এই দিশৰ পৰা গুৰুজনাক পশু-পক্ষীৰ প্ৰতি দয়ালু মনৰ বুলি নিৰ্ভয়ে কব পাৰি । সেয়ে শংকৰদেৱে ভক্তৰ বাবে আচৰণেই সৰ্বাতোকৈ গুৰুত্বপূৰ্ণ বস্তুৰ ওপৰত গুৰুত্ব দি কৈছিল --

"প্ৰাণী উপকাৰৰ অলপকো নুহি সৰি ।' -- হৰিশ্চন্দ্ৰ (৪৯৫) চতুৰ্বিংশতি অৱতাৰ বৰ্ণন অধ্যায়ত উল্লেখ কৰিছে --

"মৎসৰূপে অৱতাৰ ভৈলা প্ৰথমত ।
উদ্ধাৰিলা চাৰি বেদ্ প্ৰলয় জলত ।"

মাছৰূপী ভগৱানে প্ৰলয়ংকাৰী জলৰ পৰা চাৰিবেদ উদ্ধাৰ কৰি কূৰ্ম অৱতাৰ ক্ষীৰোদধি তীৰত নিজৰ শৰীৰেৰে লক্ষ প্ৰহৰ পথ ছানি ধৰে । তেতিয়া সুৰাসুৰ নাগে স্তুতি কৰি ভগৱানৰ প্ৰতি অসন্তুষ্ট দানৱ হিৰণ্যকক্ষই পৃথিৱীখন সাগৰৰ তলিত (পাতালত) লুকুৱাই ৰাখে, বৰাহে অৰ্থাৎ গাহৰি ৰূপী ভগৱন্তই পৃথিৱীখন উদ্ধাৰ কৰে । ভক্তিক প্ৰধান গুৰুত্ব দিছিল যদিও প্ৰকৃতি জগত জীৱ-জন্তু আদিৰ উপযুক্ত প্ৰয়োগত শংকৰদেৱৰ চিন্তা আৰু সৃষ্টিৰে নতুন নতুন আয়তন সংযুক্ত হৈছে । ৰামচন্দ্ৰৰ বনবাসত ৰাৱণে হৰণ কৰি নিয়া সীতাক সুগ্ৰীৱৰ নেতৃত্বত বান্দৰ সৈন্যৰ সহায়ত ৰামে সীতাক উদ্ধাৰ কৰে ।

বনবাসত নিয়া গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধত বিষ্ণুৱে গৰুড় পক্ষীৰ কান্ধত উঠি সুদৰ্শন চক্ৰৰ সহায়ত গ্ৰাহৰ মুখৰ পৰা গজেন্দ্ৰক উদ্ধাৰ কৰে ।

সপ্তম খণ্ডৰ গজেন্দ্ৰপাখ্যানত ক্ষীৰ সাগৰৰ আৰু তাৰ মাজৰ ত্ৰিকূট পৰ্বতৰ বৰ্ণনাই সকলোকে মুগ্ধ কৰি ৰাখিছে।

"ক্ষীৰসাগৰৰ মাজে ত্ৰিকূট পৰ্বত ।
প্ৰকাশকে আছে তিনিলোকত বেকত ।।" ---- ত্ৰিকূট

পৰ্বতৰ বৰ্ণনাত পৰিৱেশৰ যি মধুৰ কাব্যিক বৰ্ণনা যেন চকুৰ আগতহে বাস্তৱ ছবিখন ভাহি উঠে। ক্ষীৰসাগৰৰ মাজত থকা ত্ৰিকূট পৰ্বতৰ বিষয়ে স্বৰ্গ, মৰ্ত্ত্য, পাতাল সৰ্বজনবিদিত । পৰ্বতৰ তিনিশৃংগ সুবৰ্ণৰ প্ৰলেপেৰে জিলিকি আছে। শুভ্ৰ পৰ্বতৰ শৃংগ জিলিকি আছে । অযুত যোজন পৰিবেষ্টিত এই পৰ্বতৰ শোভা হাজাৰ হাজাৰ প্ৰহৰ জুৰি আছে । ক্ষীৰ সাগৰৰ শুকুলা ঢৌৱে দুগ্ধযুক্ত জলৰাশিক ধুৱাইছে। অনেক উদ্যানত বিভিন্ন ৰকমৰ ফুলৰ সুগন্ধই চাৰিওদিশ শুভিত কৰি তুলিছে। নদ-নদীৰ স্ফুটিক যেন নিৰ্মল পানীয়ে সোণত সুৱগা চৰাইছে । অপেস্বৰীসৱৰ দেহাৰ চন্দন প্ৰলেপে জলৰাশিত স্নান কৰাত সেই সুঘ্ৰানে সুৱাসিত কৰি ত্ৰিকূট গিৰিৰ বায়ুৰাশিত এই সুগন্ধ বিয়পি পৰিছে। এনেসময়তে দেৱ-দেৱীয়ে জলক্ৰীয়া কৰি বিষয়সুখৰ মত্ত হৈ আছে। ইয়াতে অনেক পাৰিজাত, অশোক, চম্পা শাল, তাল, তমাল, মদাৰ ইত্যাদি ফুলে শোভৱৰ্দ্ধন কৰিছে। আম, জাম, নেমু-জৰা, তামোল-নাৰিকল, লেতেকু, পনিয়ল কল, ফল গছেৰে অধিক শোভনীয় কৰিছে। অগৰু, চন্দন পদুম, সৰল, সোনাৰু ইত্যাদি ফুলে ফুলে উৰি ফুৰা বিভিন্ন বৰণৰ চৰাইৰ সমাগমে ছয়ঋতুত সদায়ে বসন্ত আগমন হয় । ৰিব্ ৰিব্ মলয়া বতাহত অপেশ্বৰীসৱে নৃত্যগীতৰ সৈতে আনন্দত আত্মহাৰা হৈছে । এই গিৰিতে গন্ধৰ্ব কিন্নৰ সকলে হৰিৰ গুণানুকীৰ্তন কৰে।

"ধ্যান বৰ্ণন" খণ্ডত বৈকুণ্ঠধামত যেতিয়া নাৰায়ণ বিৰাজমান হৈ আছে । অতুলনীয় সৌন্দৰ্য্যৰ বৈকুণ্ঠধামৰ ৰূপ বৰ্ণন কৰোতেও চন্দ্ৰ সূৰ্য্যৰ অৱস্থিতি, চাৰিওফালে সৰোবৰত স্ফটিকযেন জলৰাশি, অন্যান্য জীৱজন্তুৰ বৰ্ণনা লগতে চৰাইচিৰিকটিকে ধৰি চাতকপক্ষীৰ সুললিত কণ্ঠ, ভোমোৰাই গুঞ্জন তুলি হৰিনাম গাবলৈ ধৰিছে। নাৰায়ণৰ অপৰূপ ৰূপগুণৰ সৌগন্ধত মৌ-মাখিয়েও গুণগুনাইছে।

বৈকুণ্ঠপুৰীৰ বৈষ্ণৱসকলে হৰিগুণ গায়েই, ভোমোৰা আৰু চৰাই আদিয়েও গান গায় আৰু শুনে ।

“আছে ৰাজ্যহংস সমূহ ৰঞ্জি ।
লীলায়ে মৃনাল ভূঞ্জে উভঞ্জি ।।” (কীৰ্তন)
- - - - - - - - - - - - -
“ধৱল চামৰে দুইপাশ বিঞ্চে ।
সঘনে সুৰভি কুসুম সিঞ্চে ।।” — (কীৰ্তন)

আকৌ ‘অজামিল উপাখ্যান’ত বিষ্ণুৰ মহিমা সম্পৰ্কে কবলৈ যাওঁতে প্ৰসংগত অমৃতসদৃশ সুখাদ্যৰ পৰিৱৰ্ত্তে গৰু গাহৰিহে বিষ্ঠাৰ দৰে অপৱিত্ৰ বস্তু খোৱাৰ কথা উল্লেখ কৰি অজামিলৰ দৰে মানুহেও কেতিয়াবা তেনে পৰিস্থিতিৰ সন্মুখীন হব লগা হৈছে বুলি কৈছে। কিন্তু বিষ্ণু নাম কেনেবাকৈ ভূলকৈ অথবা নাৰায়ণ নামৰ পুত্ৰই হওঁক বা কোনো ব্যক্তিৰ নামেই হওঁক সেই নাম ললেও সকলো পাপৰ পৰা উদ্ধাৰ পায়, ঠিক নাজানি ভোজন কৰিলেও মহৌষধে সৰ্বৰোগ নাশ বাৰে । মহা গৰ্ব মহাপাতক হস্তীকো হৰিনামে শাঁত কৰিব পাৰে ।

প্ৰকৃতিৰ দ্বাৰা সৌন্দৰ্য্যচেতনা উদ্ৰেক কৰাৰ লগতে গভীৰ মননশীলতা আৰু দাৰ্শনিক তত্ত্ব কথাৰে মহাপুৰুষ গৰাকীয়ে দেৱতা-মানুহ, জীৱজন্তুৰ কাষ চপাই আনিবলৈ সক্ষম হৈছে। কীৰ্তনৰ ‘হয়গ্ৰীৱ অৱতাৰ’ বৰ্ণনাত — ধ্ৰুৱেই হয়গ্ৰীৱ ত্ৰৈলোক্যৰ ওপৰত থাপন কৰে যাক আকাশৰ উত্তৰ দিশে শুঁই অৰ্থাৎ মৰ্দন গোধিকা আকৃতিৰ তৰাৰ থুপত দেখা যায় । আকৌ পাষণ্ড মৰ্দন খণ্ডত শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত কলিকালৰ গুণকীৰ্তন আৰু মানুহৰ কৰ্ম সম্পৰ্কে কবলৈ গৈ সাপৰ লগত তুলনা আনিছে এনেদৰে ঃ

“কৰে হিংসা ধৰ্ম নোপজে বোধ ।
নুগুচয় মন সৰ্পৰ ক্ৰোধ ।।”

‘গজেন্দ্ৰ উপাখ্যানত কেৱল ‘গজেন্দ্ৰ’ নামৰ এটা হাতীক লৈয়ো এটা আখ্যান বৰ্ণিত হৈছে। হাতী অৰণ্যত থাকে ; কীট পতংগ, পখিলা, ভোমোৰা, বিতোপন সৰোবৰত ৰাজহংস জাকে জাকে পৰি আছে। সৰোবৰত লগৰীয়াৰ সৈতে গজেন্দ্ৰই জলক্ৰীড়া কৰিছে । বনৰাজ সিংহকে ধৰি অনেক জীৱ-জন্তু আছে ; হস্তী-হস্তিনীয়ে জলক্ৰীড়া কৰি বিষয় সুখত ভোল গৈছে ; ভোমোৰা উৰি ফুৰিছে। সেইসময়ত গ্ৰাহে গজেন্দ্ৰক ঠেঙত কামুৰী ধৰি তয়াময়া যুদ্ধত লিপ্ত হৈছে । অৱশেষত গজেন্দ্ৰই শুৰেঁৰে এপাহ পদুম ফুল লৈ বিষ্ণু স্মৰণ কৰি মুক্তি পাইছে ।

এই খণ্ডতেই কৃষ্ণই উদ্ধৱৰ আগত কৈছে —
“গৰু গোপিকা পশু বৃক্ষ বন
নাহি জন্মান্তৰে কিছু সাধন
এহি জন্মে মাত্ৰ কৰি ভকতি
পাইলেক সকলে মোহোৰ গতি ।।” — অৰ্থাৎ
যিসকলৰ কৰ্ম অশুদ্ধ, হৰিৰ শ্ৰৱণে সেই সকলকো ঘটিৰ পানী পিয়াহৰ গতি কৰে ।

বৈকুণ্ঠ পুৰীৰ বৰ্ণনাত কীৰ্তনৰ ‘প্ৰহ্লাদ চৰিত্ৰত’ গুৰুজনাৰ পশু-পক্ষীৰ বিবিধ বৰ্ণনা বিশেষ তাৎপৰ্যপূৰ্ণ । বৈকুণ্ঠ পুৰীত হৰিনামত ভোমোৰাই সহযোগ কৰিছে, পক্ষীবোৰেও একান্তচিত্তে কৃষ্ণৰ কথাত মনপ্ৰাণ ঢালিছে । মৌ-মাখিয়েও গুঞ্জন তুলিছে ।

এই অধ্যায়ত ভ্ৰাতৃবধৰ প্ৰতিশোধ-লবৰ বাবে ঘোৰ তপস্যা কৰোঁতে হিৰণ্যকশিপুৰে মাটি তুলি পুতি পেলোৱা উঁই হাফলুৰ সুন্দৰ বৰ্ণনা কৰিবলৈ পাহৰা নাই । দৈত্যৰাজ হিৰণ্যকশিপুক প্ৰহ্লাদে

বিষ্ণু গুণ বৰ্ণনা কৰাত প্ৰহ্লাদক অনেক শাস্তি দিয়ে । পৃথিৱীৰ আঠোদিশে থকা হস্তী (ঐৰাৱত, পুণ্ডৰিক, বামন, কুমুদ, অঞ্জন, পুষ্পদন্ত, সুপ্ৰতীক সাৰ্বভৌম) আনি শাস্তি বিহিবলৈ আদেশ দিয়ে । প্ৰহ্লাদে ঐশ্বৰিক শক্তিৰে হাতীৰ দাঁত ভাগি পেলোৱাৰ বাবে সকলো হস্তী আতৰি যোৱাত, পৃথিৱীৰ সৰ্ববৃহৎ বিষাক্ত সাপৰ দ্বাৰা দংশন কৰোৱাত প্ৰহ্লাদৰ কোনো বিঘিনী নোহোৱাত দৈত্যৰাজ শংকিত হৈ পৰে । বিষ্ণুৱে নৰসিংহ ৰূপ ধাৰণ কৰি হিৰণ্যকশিপুক বধ কৰিবৰ বাবে যুদ্ধত লিপ্ত হোৱাৰ পৰতে গৰুড়পক্ষীয়ে সাপ ধৰিলে যেনে হয় তেনে হৈছে। নৰসিংহৰূপী বিষ্ণুৱে হিৰণ্য কশিপুৰ কৰঙণত বহুৱাই দুভাগ কৰি ছিৰি পেলাইছে এই দৃশ্য সাপে নিগনি ধৰাৰ দৰে দৃশ্য। বিষ্ণুৱে প্ৰহ্লাদক কৈছে — যত মোৰ উদাৰ ভক্ত থাকে, তাত তেওঁ আনকি কীটপতংগকো পবিত্ৰ কৰে । তেনেঠাইত কোনেও প্ৰাণীক হিংসা, লোভ নকৰে। সৎ ব্যৱহাৰহে শক্তিৰ মাহাত্ম্য । হিৰণ্যকশিপুক ব্ৰহ্মাই অসম্ভৱ বৰ দিয়াত দৈত্যসকল উন্মাদ হৈ পৰে । তেতিয়া সকলোৰে শংকাৰ সৃষ্টি হয় । সেয়ে নৰসিংহই ব্ৰহ্মাক তুলনাৰে উদাহৰণ দি কৈছে যে যিদৰে অপাত্ৰত দানৰ মূল্য নাই, তেনেদৰে সাপক গাখীৰ খুৱালেও সাপৰ বলশক্তিহে কঢ়িব । গতিকে এনে বৰ প্ৰদান কৰা মংগলজনক নহয়।

'উৰেষা বৰ্ণন'তত ইন্দ্ৰদুৎম্নৰ স্তুতি — (২য় ভাগত)

'মায়াতেলৈ দেখয় বিবিধ পৰিচ্ছন্ন।
স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ ।।
- - - - - - - - - - - - - - - - -
কৃমি, কীট, হস্তী, ঘোৰাঁ, মৃগ পশুপক্ষী ।
গৰু, উট, মহিষ, পশুক, যত দেখি ।।

মালৱ দেশৰ অৱন্তীপুৰৰ ৰজা ইন্দ্ৰদ্যুম্নই কৃষ্ণ সুভদ্ৰাৰ মূৰ্ত্তি সাজিবৰ বাবে চতুৰংগ দলৰ সতে' সাগৰৰ পাৰলৈ যাওঁতে যি প্ৰাকৃতিক দৃশ্য দেখিছে সেই দৃশ্য অতি মনোমোহা । তাত মাছ, কাছৰ পৰা আৰম্ভ কৰি অনেক পশু-পক্ষীৰ সমাবেশ ঘটিছে ।

'আছে ভয়ংকৰ মৎস্য কচ্ছপ বহুল ।
কুম্ভীৰ মগৰ মৎস্যে কৰে হুলস্থুল ।।'

তাত নানাবিধ পক্ষীয়ে সুললিত কণ্ঠে' গীত জুৰি আছে । বিধে বিধে মৃগবোৰ চৰি ফুৰিছে মানুহৰ সমাগমৰ দৃশ্য চাই।
তাত অনেক দতাঁল হাতী, বাঘ ভালুকৰ সমাবেশ ঘটিছে। সৰোবৰত ৰাজহংসই আপোনমনে জিৰাইছে। ময়ুৰে পেখম ধৰি, কুলি চৰাইৰ সৈতে' প্ৰাণ টানি গীত জুৰিছে।

'বৈকুণ্ঠ নগৰী নিৰুপম
নাহি মাত কালৰ বিক্ৰম ।।'

মহাপুৰুষ জনাৰ সাহিত্য কৰ্মৰ মাজত প্ৰকৃতি বৰ্ণনৰ অনবদ্য ৰূপৰ কথা প্ৰধানতঃ ভাগৱতৰ দশম স্কন্ধ আৰু কীৰ্তন পুথিত অধিক পোৱা যায় । সংস্কৃতি চিন্তনত ধৰ্ম-কলা আৰু সমাজক কাষ চপাই অনা দেখা যায়। প্ৰায়ভাগ ৰচনাতে পৰিৱেশ প্ৰকৃতিৰ গভীৰ অধ্যয়ন তথা পৰ্যবেক্ষণৰ গৰাকী স্বৰূপ হৈ পৰিছে শংকৰদেৱ । গভীৰ অনুধাৱন অবিহনে প্ৰকৃতি জগতৰ স্বতন্ত্ৰ মহত্ত্বৰ ৰূপ লিখনিত প্ৰকাশ হব নোৱাৰে । সেইবাবেই প্ৰকৃতিজগতৰ সৈতে মানুহৰ অথবা ভক্তগণৰ মাজত হৃদয়গ্ৰাহী ৰূপ লবলৈ সক্ষম হৈছে তেওঁৰ ৰচনাত ।

"কিনো পুন্য কৰিলে গোকুলৰ বৃক্ষতৃণ ।
তোমাৰ চৰণ পাৰে প্ৰতিদিন ।" — (কীৰ্ত্তন)

আকৌ 'ৰাসক্ৰীড়া'ত উল্লেখ আছে —

'দিব্যগন্ধ তুলসীৰ কৰি মধুপান ।
ভ্ৰমৰে গুঞ্জৰি ধৰে কৃষ্ণক যোগান ।।
সুন্দৰ অধৰ ধৰে যেৱে কৰে বংশীধ্বনি ।
মোহ হোৱে কমল বনৰো পক্ষী শুনি ।।'

মহাপুৰুষৰ ৰচনাৰাজিৰ প্ৰতিপাদ্য ভক্তিৰসৰ সৈতে সংপৃক্ত হৈ আছে। গভীৰ মননশীল দৃষ্টিভংগীৰে আগবঢ়োৱা অসমৰ বৰ্ণময় প্ৰকৃতিৰ চিত্ৰ । সাক্ষৰ-নিৰক্ষণ, পণ্ডিত চহা সকলোকে অভিনৱ লিখনিৰে আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ অন্যতম এক উল্লেখযোগ্য দিশ — গভীৰ নিসৰ্গ প্ৰকৃতি বৰ্ণনা। ৰামধেনুৰ প্ৰতিটো ৰঙে আনটো ৰঙৰ জেউতি তুলি ধৰাৰ দৰে শংকৰ দেৱৰ পৰিৱেশ বৰ্ণনাই প্ৰতিপাদ্য সকলো বিষয়ক উজ্বল কৰি তুলিছে ।

সৰ্বকলা বিশাৰদ তথা কথাশিল্পৰ গুৰুজনাৰ দৰ্শনৰ মাজত লুকাই থকাপৰিৱেশ চেতনা, তত্ত্ব আৰু জ্ঞানৰাজিৰ বহুমুখী প্ৰতিভাক সংক্ষেপতে আলোচনা কৰা সম্ভৱপৰ নহয় । সকলোকে ভকতিৰে জনাও যে আজিৰ পৰিৱেশ বিধ্বংসী যুগত পৰিৱেশ সচেতনতা বৃদ্ধি তথা প্ৰকৃতি ৰক্ষাৰ স্বাৰ্থত গুৰুজনাৰ অপাৰসৃষ্টিক আলোকপাত কৰা নিতান্তই প্ৰয়োজনীয় ।

শেষত গুৰুজনালৈ ভক্তিপূৰ্ণ সেৱা জনাই-সশ্ৰদ্ধ প্ৰণাম জনালো ।

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানো যেন কল্পতৰু
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু । — (নামঘোষা)

যোৱা সংখ্যাৰ পিছৰ পৰা

# শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত পৰিৱেশ - প্ৰকৃতি

**— কৰুণা কান্ত শৰ্মা**

পদ —

এহি জগ মোদন ; কান্ধে দধি ওদন,
গোধন আগু বুলায়।
ৰক্তিম নয়ন, সৰোৰুহ হাসি
হেৰাইতে ভুৱন ভুলায় । ।
মদন দমন ৰূপ, পেখিয়ে পুনু পুনু ;
মূৰুচি পৰয় সুৰনাৰী ।

যিকোনো বিষয় বা কামত সেই বিষয়ৰ উপযোগী আৰু অনুকূল সুস্থ পৰিৱেশ নাথাকিলে সেই কামটো কেতিয়াও সুস্থ আৰু সুন্দৰভাৱে সাধিত নহয় ; বৰং তাৰ বিপৰীতে বিক্ষিপ্ত আৰু বিৰূপ ৰূপ লোৱাহে পৰিলক্ষিত হয় । মহাপুৰুষ শংকৰদেৱৰ অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ 'কীৰ্ত্তন'ৰ — 'হৰমোহন' অধ্যায়ত অসমৰ ভৌগলিক, প্ৰাকৃতিক আৰু জৈৱবৈচিত্ৰেৰে পৰিপূৰ্ণ নান্দনিক মনোহাৰিণী প্ৰাকৃতিক পৰিৱেশত পৰম পুৰুষ, পৰম ব্ৰহ্মা নাৰায়ণৰ সৎ-চিত-আনন্দময় আদি-অন্তবিহীন যোগমায়াৰ এটি ক্ষুদ্ৰ কণিকা বেকট কৰাই দেৱাদিদেৱ আশুতোষ মহাদেৱক মায়াচ্ছন্ন অৱস্থাৰে বিমোহিত কৰি ধ্বজভঙ্গ অৱস্থাত

পতিত হোৱা দেখুৱাইছে । কিন্তু তাৰ বিপৰীতে আন কোনো পৰিৱেশত মহাদেৱৰ সেই অৱস্থা সংঘটিত হোৱা দেখুৱালে এক বিৰূপ অৱস্থাৰহে সৃষ্টি হ'লহেতেন । দেৱাদিদেৱ মহাদেৱৰ অনুৰোধ মৰ্মে পৰম পুৰুষ নাৰায়ণে চকুৰ পচাৰতে যোগমায়াৰ বলত এক দিব্য উপবন সৃষ্টি কৰি বাস্তৱ জ্ঞানশূণ্য মায়াচ্ছন্ন অনুকূল পৰিৱেশত ত্ৰিভুৱন মোহিনী সৰ্ব-ৰূপ অলংকাৰেৰে বিভূষিতা অপৰূপা নাৰীৰ ৰূপ ধাৰণ কৰিলে।

পাচে ত্ৰিনয়ন দিব্য উপবন দেখিলন্ত বিদ্যমান ।
ফলফুল ধৰি ঝকমক কৰি আছে যত বৃক্ষমান ।।

আৰু শিৰীস, সেউতি, তমাল, মালতি, কৰবিৰ, বক, কাঞ্চন, চম্পা, শেৱালি, পলাস, পাৰিজাত, যুতিজাই, বকুল, কদম, নাহৰ, অশোক, মদাৰ, মণিৰাজ, ৰাজচম্পা, কেতেকী, তগৰ আদি অসমৰ প্ৰকৃতি জগতৰ-অগণন সুৰভিযুক্ত ফুলেৰে সুশোভিত দিব্য উপবনত দেৱৰাজ, অগৰু, চন্দন, নাহৰ, দেৱদাৰু, কল্পতৰু, বট বৃক্ষ আদিয়ে ৰঞ্জিত সুৰভি মৃদু মলয়াৰ চেৰে চেৰে হালি জালি দীপ্ত জ্যোতি চৰাইছে। সেই নন্দন কানন সদৃশ দিব্য উদ্যানৰ মাজতে চাৰিওফালে মণি মৰকত, পোৱাল বাখৰ আৰু স্বচ্ছ পাথৰেৰে বন্ধোৱা সৰোবৰত স্বৰ্ণ পদুম, ভেট, উৎপল ফুলি জকমকাই মায়াময় পৰিৱেশৰ সৃষ্টি কৰিছে। মায়াত আচ্ছন্ন চাকৈচকোৱা, ৰাজহংস, চাটক, বগলী, কাম, কোৰা আদি জলচৰবোৰে সৰোবৰৰ স্বচ্ছ জলৰাশিত জলক্ৰীড়া কৰি আৰু অমৃতোপম পানী পানেৰে সুললিত কলৰৱ জুৰিছে । আৰু এনুৱাপৰিৱেশত মলয়াত উটি অহা সুৰভিযুক্ত ফুলৰ গোন্ধত মতলীয়া মধুমত্ত ভোমোৰাও গুঞ্জন তুলিছে।

জত দিব্য পক্ষি ফলফুল ভক্ষি । কাঢ়য় সুস্বৰ ৰাৱ ।
কুহু কুহু ধ্বনি কোকিলৰ সুনি । বহয় মলয়া বায় ।।

এনেকুৱা মায়াময় পৰিৱেশৰে ৰঞ্জিত উদ্যানত পৰম পুৰুষ বিষ্ণুৱে যোগমায়াৰ বলত মোহিনী ৰূপ ধাৰণ কৰি দেৱাদিদেৱ মহাদেৱক বিমোহিত কৰাই নহয় ; তেওঁৰ বাহ্যিক বিচাৰ বিবেচনা ৰহিত কৰাই জ্ঞান শূণ্য এটি কামোদ্দীপ্ত বিশেষ অৱস্থাত উপনীত কৰাইছে। আৰু এনেকুৱা বিশ্ব বিমোহিত প্ৰাকৃতিক পৰিৱেশতেই শৰৎ কালৰ জ্যোৎস্না বিধৌত পূৰ্ণিমা নিশা যমুনাৰ বালিত তথা বৃন্দাবনত জগতৰ নাথ ত্ৰিলোকৰ স্বামী শ্ৰীকৃষ্ণই ষোড় হাজাৰ গোপনাৰীৰ মনোবাঞ্ছা পূৰণ কৰিছিল।

আপুনো লাৱণ্য কলা কৌসল সুগন্ধি ।
সমস্তে গোপিত অৰ্পি কৃড়িলা প্ৰৱন্ধি ।।
নপাৰিলা গোপিগণে মুহিবে কৃষ্ণক ।
চায়ায়ে সহিত জেন উমলে বালক ।।

ত্ৰিজগতৰ নাথ অন্তৰ্যামী ভগৱানে তেওঁৰ মায়াত মগ্ন বিমুগ্ধ চৈতন্যহীন হোৱা গোপজায়াসকলক শৰৎ ৰাত্ৰিৰ জ্যোৎস্না প্লাৱিত প্ৰাকৃতিক পৰিৱেশত নিমজ্জিত কৰাই এনেদৰে বিমোহিত কৰিছিল যাৰ ফলশ্ৰুতিত স্বৰ্গৰ দেৱঙ্গনাসকল কামপীড়িত অৱশ অৱস্থাৰে মূৰ্চ্ছিত হৈ স্বস্থানতে ঢলি পৰিছিল। আৰু জ্যোৎস্নাধিপতি চন্দ্ৰ দেৱতাও কামবিহ্বলতাৰে চঞ্চল হৈ সেই বিশেষ নিশাটি পৃথিৱীৰ অতি দীঘল নিশা হিচাপে উদ্‌যাপিত কৰি মহাপ্ৰভু, শ্ৰীকৃষ্ণৰ বিশ্ববিমোহন মুৰুতি আৰু ৰূপসুধা আকণ্ঠ নিমজ্জিত কৰি তথা নয়ন ভৰি উপভোগ কৰিছিল ।

দেৱ নাৰিগণে দেখি কেসৱৰ কেলি ।
মোহ হুয়া পড়ে বিমানত ঢলি ঢলি ।।
কৃড়া দেখি চন্দ্ৰো কামে বিমোহিত আতি ।
তম্ভাইলন্ত ৰথ নুপুহাই সিতো ৰাতি ।।
জত গোপি তত কৃষ্ণ হুয়া কৰি কৃড়া ।
সমস্তে গুচাইলা গোপিকাৰ কাম পিড়া।।

এই গৰাকীয়ে আছিল, অসমৰ সৰ্বকালৰ শ্ৰেষ্ঠ পৰিৱেশবিদ তথা সমাজ বিজ্ঞানী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ।



‘গগণ নির্মল
স্বচ্ছ ভৈল জল
দূৰ গৈল মেঘ গণ .........’

-- শঙ্কৰদেৱ ।

ৰাইজলৈ শাৰদীয় শুভেচ্ছাৰে -

# চন্দ্ৰ প্ৰকাশ

অসমৰ ঐতিহ্যমণ্ডিত প্ৰকাশন প্ৰতিষ্ঠান
পাণ বজাৰ, গুৱাহাটী - ১



*GREEN LETTER OR SEUJ PATRIKA, an environmental Journal Published by Bilasipara College Library Study Circle in collaboration with Aranya Suraksha Samiti, Assam.*
*Address for Communication :- Bilasipara College Library, Bilasipara Dist. Dhubri (Assam) 783348*

**Price - Rs. 5/-**

Editor - Hari C. Das (Hon.)
Dial : 94351-25822 (M)

PRINTED BY - SHYAM SUNDAR COMPUTER PRESS,G.B. LAXMI COMPLEX, BILASIPARA, Mobile - 94352-89565